
# হিক্! জলহস্তী



গীতা ধৰ্মৰাজন
অংকন: অতনু ৰয়




'কথা'ৰ দ্বাৰা প্ৰকাশিত এক 300m থিংকবুক

এদিন ভৰ দুপৰীয়া গুলমোহৰ অৰণ্যৰ এটা বগা ভেটফুল থকা পুখুৰীত ডাঙৰ কিবা এটা পৰি গৈছিল।


ধুপ!





ঝপাচ!



মুয়াল শহা, হনু বান্দৰ, পপট
ভাটৌ সকলোৱে ভয় খাইছিল।




সকলোৱে ইমান ভয় খাইছিল যে কোনেও লক্ষ্যই কৰা নাছিল 'বস্তুটো' যে পানীৰ পৰা লাহে লাহে উঠি আহিছিল।মুয়ালে প্ৰথম বস্তুটো দেখিছিল ।






শব্দবোৰত টোপনিৰ পৰা
সাৰ পোৱা ৰাত্ৰি নামৰ
ফেঁচাটোৱে সুধিলে।

লগে লগেই হাৱাচিয়ে কান্দি পেলালে।
মই হিক-ঘৰলৈ হিক-যাব বিচাৰোঁ।।।।




কিন্তু তুমি ইয়ালৈ কেনেকৈ আহিলা?
এলা নামৰ পলুটোৱে সুধিলে।


ভাৰতবৰ্ষ
আফ্ৰিকা



মই মোৰ মাৰ লগত আছিলোঁ। হঠাৎ মোৰ হিকটি অহা আৰম্ভ হ'ল আৰু মই আকাশলৈ উৰি গ'লো! মোৰ মায়ে মোক ৰখাবই নোৱাৰিলে। মোৰ খুড়ীয়েও মোক ৰখাব নোৱাৰিলে। আনকি মোৰ শক্তিশালী দেউতায়ো মোক ধৰি ৰাখিব নোৱাৰিলে। আৰু মই এতিয়া ইয়াত।মোৰ ভয় হৈছে যে মোৰ আগৰ দৰেই আৰু এটা হিকটি আহিব। হয়তো মই উৰি যাম আৰু কেতিয়াও নামি আহিব নোৱাৰিম।
হাৱাচিয়ে তাৰ চাৰিওফালে থকা জন্তুবোৰ চাই ক'লে।



মুৱালে নির্ভয় প্ৰদান কৰি ক'লে, মই তোমাৰ হিকটি বন্ধ কৰাত সহায় কৰিম। হাৱাচিয়ে বহুত আশাৰে সুধিলে,'আৰু মোক ঘৰলৈ পঠাই দিব পাৰিবা নেকি?' নিশ্চয় আমি চেষ্টা কৰিম। হনুৱে ক'লে। আমাৰ অন্য বন্ধুসকলক মাতি অনা হওক। কোনোবাই হয়তো হিকটি বন্ধ কৰাৰ কিবা উপায় জানিব পাৰে। সেয়ে মুৱালে হাতী, বাঘ, বাদুলী আৰু মকৰাবোৰক মাতিবলৈ গ'ল। বাকী সকলো গ'ল।

তাৰপিছত সকলো চিন্তা কৰাত ব্যস্ত হৈ পৰিল।
পানী! হঠাৎ অৰণ্যৰ শিয়ালটোৱে চিঞৰি উঠিল
আমি শিয়ালবোৰে হিকটি বন্ধ কৰাৰ বাবে পানী খাওঁ। সকলো সময়তে এইটো কৰোঁ।

হাৱাচিয়ে ধন্যবাদ বুলি ক'লে।
পানী মই ভালপাওঁ।



সি তৎক্ষণাৎ বগা ভেটফুলৰ পুখুৰীটোলৈ নামি গ'ল আৰু অদৃশ্য হৈ পৰিল।

বহু সময় ধৰি পানীৰ পৰা ওলাই নহা দেখি ঈ নামৰ
হাতীটোৱে ক'লে, 'এহ, কি ভাবিছা তোমালোকে,
ডুব গ'ল নেকি?'


সি সাতুৰিব জানে যেন দেখোতে নালাগে,' কা-কা
কাউৰীয়ে উদ্বিগ্ন হৈ ক'লে।
ঠিক তেনেতে হাৰাচিয়ে হাঁহি এটি মাৰি ওলালহি।




মোৰ ঘৰৰ দৰেই আছিল। আনন্দতে গুৰগুৰ কৰি হাৱাচিয়ে ক'লে। মই পাহৰি গৈছিলো আৰু খোজকাঢ়িবলৈ গুচি গৈছিলো।
দু:খিত!
'খোজকাঢ়িবলৈ! পানীৰ তলত?' আচৰিত হৈ ঈ হাতীয়ে সুধিলে।
পানীৰ তলত থকা মাটিত খোজকাঢ়ি মোৰ বহুত ভাল লাগে।
হাৱাচিয়ে বুজাই ক'লে। মই খুউব ভালকৈ সাঁতুৰিবও জানো। মই তোমালোকক দৌৰত হৰুৱাবও পাৰিম।
এনেতে হঠাৎ




হাৱাচিৰ হিকটি বন্ধ কৰিবলৈ সকলো জীৱ-জন্তুৱে সৰ্বতোপ্ৰকাৰে চেষ্টা কৰিবলৈ ধৰিলে।



... তাক চেনী খুৱাই দিয়া...



... তাক উশাহটো ধৰি ৰাখিবলৈ কোৱা...



... তাক ভয় দেখুওৱা...

কিন্তু হাৱাচি ইমান বেছি ডাঙৰ। তাক কেনেকৈ ভয় দেখুৱাওঁ?

ঠিক তেনেতে...






অ'.. তেজছ্ বাঘৰ কথা শুনি হনু বান্দৰে কৈ উঠিল, 'আমিতো এইটো কথা ভবাই নাছিলোঁ!'

পোপট ভাটোৱে ক'লে, ' সঁচাকৈয়ে আমি সকলোৱে মিলি তাৰ এটা ডাঙৰ হিকটি আনিব লাগে যাতে সি যেনেকৈ আহিছিল তেনেকৈয়ে ঘৰ পাবগৈ পাৰে!'




আমি তাক সুৰসুৰাই দিম! পৰুৱাবোৰে ক'লে। বান্দৰবোৰে ক'লে, আমি তাক এনেকুৱা ভাল লগা গল্প ক'ম যে, সেইবোৰে তাক ঘৰলৈ মনত পেলাব পাৰে। হাৱাচিয়ে চিঞৰি উঠিল, 'এ মজা',-তাৰ সৰু চকু কেইটা তিৰবিৰাই উঠিল,- 'মা মই ঘৰলৈ আহিছোঁ।'





পৰুৱাবোৰে হাৱাচিক সুৰসুৰাই দিলে। সকলোৰে জনা ধেমেলীয়া কৌতুক আৰু সাথৰবোৰ কৈ চিঞৰিবলৈ লাগিল।

সাত ফুট দীঘল গ'ৰিলা ক'ত শোৱে?

সি যেনিয়েই বিচাৰে তেনিয়েই!

বৰটোকোলা এটাই এটা ভৰিত থিয় দি কেনেকৈ থাকে?

কাৰণ সি অন্যটো ভৰি ডাঙি দিলে পৰি যাব!

জলহস্তীৰ সমান ডাঙৰ কিন্তু কোনো ওজন নথকা জন্তুটো কি?


জলহস্তীৰ ছাঁটো।

ভেকুলীয়ে তাৰ টকা-পইচা ক'ত ৰাখে?

ৰিভাৰ বেঙ্কত।

বান্দৰ, হাতী, পলু আৰু চৰাই সকলোৰে খুউব জোৰত হাঁহি বাগৰি পৰিছিল।


সিহঁতৰ মাজত হাৱাচি আছিল আৰু গৰ্জন কৰি হাঁহিছিল। এনেকুৱা হাঁহি উঠা কৌতুক সি কোনোদিন শুনিয়েই পোৱা নাছিল।



আৰু এটা বলিয়া হাতীৰ গল্প শুনি থকাৰ মাজতে হাৰাচিৰ হিকটি ধৰিল। সঁচাকৈয়ে বহুত ডাঙৰ হিকটি, জলহস্তীৰ আকাৰৰ।

# হিক!

সি যেনেদৰে আহিছিল, তেনেদৰেই বটগছৰ ওপৰেদি সি উৰি গ'ল। আনন্দত উৰি উৰি হাৰাচিয়ে আকাশৰ পৰা চিঞৰি ক'লে, 'বিদায়, আৰু ধন্যবাদ!'



বিদায়,
ভাল দৰে
পোৱাগৈ যোৱা!'
সকলো জীৱ-জন্তুৱে
চিঞৰি ক'লে।



ঘৰ আহি
পাই গ'ল!



অ' আৰু এটা কথা পাহৰি যোৱাৰ আগতে জানি থোৱা। যোৱা কালি গুলমোহৰ অৰণ্যৰ জীৱ-জন্তুৱে এটা ডাঙৰ চিঞৰ শুনিছিল। তোমালোকক ধন্যবাদ। আৰু সেই চিঞৰ আছিল আফ্ৰিকাৰ এমজিমা স্প্ৰিংচৰ পৰা। হয়, তোমালোকে ঠিকেই ধৰিছা। সেইয়া আছিল হাৰাচি, হিকটি অহা জলহস্তী।

# অনুমান কৰা?

ইয়াৰ নাম হ'ল 'নদীৰ ঘোঁৰা'। দেখাত ই এটা গাহৰিৰ দৰে। ই এটা ডাঙৰ, শকত আৰু ভাৰী (ইয়াৰ ওজন তুমি আৰু তোমাৰ দৰে ২০০ জনতকৈ বেছি একেলগ কৰিলে যিমান হ'ব সিমান) কিন্তু ই তোমাতকৈও বেছি জোৰত দৌৰিব পাৰে, আৰু সুন্দৰকৈ সাঁতুৰিব পাৰে। ইয়াৰ নাম কি তুমি অনুমান কৰিব পাৰিছানে? ই হ'ল

# হিপোপটেমাছ (জলহস্তী )




অৱশ্যেই

জলহস্তীৰ পিঠিৰ আৰু পিচফালৰ ছালখন তোমাৰ হাতৰ চাৰিটা আঙুলি একেলগ কৰিলে যিমান হ'ব সিমান ডাঠ। আৰু সেয়ে এটা প্ৰাপ্তবয়স্ক সিংহৰ বাহিৰে অন্য কোনো প্ৰাণীকে ভয় নকৰে। জলহস্তীৰ মুখখন ইমান বেছি ডাঙৰ যে তুমি সহজেই ইয়াৰ মাজত সোমাই যাব পাৰিবা। অৱশ্যে তুমি এইটো কেতিয়াও নিবিচাৰিবা। কিন্তু এটা খঙাল জলহস্তীয়ে এখন নাওঁ ভাঙি পেলাব পাৰে।

জলহস্তীয়ে গোটেই দিনটো আফ্ৰিকাৰ নদীসমূহৰ পানীত আৰাম কৰি ভাল পায়। ইহঁতে কেতিয়াবা কেতিয়াবা নদীৰ পানীৰ তলৰ বোকাত খোজ কাঢ়ে আৰু তাৰ প্ৰকাণ্ড মুখখনেৰে পানীত হোৱা ঘাঁহ, বন খায়।(জলহস্তী নিৰামিষাহাৰী)। হাওঁফাওঁলৈ পানী সোমাব নোৱাৰাকৈ এবিধ বিশেষ ধৰণৰ ছালে সিহঁতৰ নাকৰ ফুটাটো ঢাকি ৰাখে।

জলহস্তীয়ে পানীৰ তলত পোৱালী জন্মায়। পোৱালীবোৰে খোজকঢ়াৰ আগতেই সাঁতুৰিব পৰা হয়। জলহস্তীয়ে এবাৰত এটাকৈ পোৱালী দিয়ে। খোজ কাঢ়িবলৈ শিকাৰ লগে লগে পোৱালী জলহস্তীয়ে অকলেই যিকোনো দুঃসাহসিক কাম কৰিবলৈ বিচাৰে যদিও সিহঁতক মাকে অকলে এৰি নিদিয়ে। পোৱালী জলহস্তীয়ে কেনেকৈ বিপদৰ পৰা হাত সাৰিব পাৰি, কেনেকৈ খাদ্য বিচাৰিব লাগে আৰু কেনেকৈ ধেমালি কৰিব লাগে এইবোৰ সিহঁতৰ মাকৰ পৰা শিকে।



গীতা ধৰ্মৰাজনে শিশুৰ বাবে লেখা-মেলা কৰি ভাল পায়। তেওঁ "টাৰ্গেট" নামৰ শিশু আলোচনীখনৰ অন্যতম সম্পাদকৰ পদ শুৱনি কৰাৰ লগতে পেন্সিলভেনিয়া বিশ্ববিদ্যালয়ৰ আলোচনী "দ্য পেন্সিলভেনিয়া গেজেট"-ৰো সম্পাদক আছিল। শিক্ষা আৰু সাহিত্য জগতলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁ ২০১২ চনত সন্মানীয় পদ্মশ্ৰী বঁটা লাভ কৰিছিল।

" এশখনতকৈও বেছি শিশু গ্ৰন্থৰ বাবে ছবি আঁকা অতনু ৰয়ে তেওঁৰ জীৱনৰ বেছিভাগ সময় শিশু সকলৰ বাবেই উচৰ্গা কৰিছে। ৰঙৰ তাৰতম্য আৰু ভিন্নতাসমৃদ্ধ তেওঁৰ চিত্ৰকৰ্মই সদায়েই পঢ়ুৱৈৰ অন্তৰ জয় কৰে। এসময়ত 'ইণ্ডিয়া টুডে'ত ৰাজনৈতিক ব্যঙ্গ চিত্ৰশিল্পীৰ চাকৰি কৰা অতনু ৰয়ে তেওঁৰ শিল্পকৰ্মৰ বাবে 'চিলড্ৰেনছ চ্ছইছ এৱাৰ্ড' আৰু 'আইবিবিওৱাই চাৰ্টিফিকেট অফ অনাৰ' পাইছিল। তেওঁৰ ষ্টুডিঅ' গুৰগাঁৱত অৱস্থিত।

## ক KATHA

'কথা' বিশ্বব্যাপী স্বীকৃত এটি অ-লাভজনক সংস্থা (www.katha.org) যি ১৯৮৮ চনৰ পৰাই সাক্ষৰতাৰ পৰা সাহিত্য পৰ্যন্ত-সকলো দিশতে নিৰন্তৰভাৱে কাম কৰি আহিছে। দৰিদ্ৰ শিশুসকলৰ বাবে গ্ৰন্থ প্ৰকাশ তথা তেওঁলোকৰ শিক্ষাৰ উন্নয়নৰ ক্ষেত্ৰত ৩০ বছৰীয়া সফলতাৰ সুবাদেৰে এই অনুষ্ঠানটি পুষ্ট।

"ভাৰতৰ মুকুটত ই এটি শিক্ষামূলক ৰত্ন।" **-নায়োউকি শিনোহাৰা, ডেপুটি মেনেজিং ডিৰেক্টৰ, আই. এম. এফ**

'পৃথিৱীৰ সকলো চহৰৰ দুৰ্দশাগ্ৰস্ততা নিৰাময়ৰ বাবে কাম কৰি থকা সৃজনীশীল প্ৰকল্পসমূহৰ অন্যতম এটি দৃষ্টান্ত হ'ল 'কথা'।
**-চাৰ্লছ লণ্ড্ৰী, দ্যা আৰ্ট অৱ চিটি মেকিং**

'কথা'ৰ অন্তৰাত্মাত শিশুসকলৰ বাবে এক কোমল স্থান আছে। সেয়ে 'কথা'ই শিশুসকলৰ বাবে এনে ৰঙ-বিৰঙী ছবিসমৃদ্ধ গ্ৰন্থ সৃষ্টি কৰি আহিছে।
**--টাইম আউট।**

'কথা'ই ধাৰণাৰ ভিত্তিত কাম কৰে যাতে শিশুসকলে বাস কৰা সম্প্ৰদায়ত আমূল পৰিৱৰ্তন আনিব পাৰে। **— পেপাৰ টাইগাৰছ**

এএইটো সংস্কৰণৰ প্ৰথম প্ৰকাশ কাল ২০২১ চন।
গ্ৰন্থস্বত্ব © কথা, 1991, 2014, 2021
"পাঠ্যস্বত্ব © গীতা ধৰ্মৰাজন
"অংকনস্বত্ব © কথা
এ-3, সৰ্বোদয় এনক্লেভ, শ্ৰীঅৰবিন্দ মাৰ্গ, নতুন দিল্লী-১১০০১৭
দূৰভাষঃ 91-11 4141 6600 . 4141 6610
"ই-মেইলঃ editors@katha.org.
ৱেবচাইটঃ www.katha.org "
ISBN 978-93-82454-65-6

**আমাৰ উদ্দেশ্যঃ** প্ৰত্যেক শিশুৱেই যেন ভালদৰে আৰু আনন্দৰ বাবে পঢ়িব পাৰে।

১৯৮৮ চনত স্থাপিত 'কথা' এটি পঞ্জীয়নকৃত অলাভজনক সংস্থা। 'কথা'ই স্বাক্ষৰতাৰ পৰা সাহিত্যলৈকে সকলো দিশতে ধাৰাবাহিকভাৱে কাম কৰি আহিছে। পঢ়াৰ অভ্যাসক প্ৰাপ্তবয়স্ক আৰু শিশুসকলৰ বাবে আনন্দদায়ক কৰি তুলিবলৈ চেষ্টা কৰি আহিছে 'কথা'ই। গ্ৰন্থ প্ৰকাশ আৰু বিভিন্ন সহায়-সহযোগিতাৰে ১,০০,০০০ ৰো অধিক দৰিদ্ৰ শিশুক 'গ্ৰেড লেবেল' পঠনৰ উপযোগী কৰি তুলিছে এই সংস্থাই।

সৰ্বস্বত্ব সংৰক্ষিত। প্ৰকাশকৰ পৰা আগতীয়া লিখিত অনুমতি অবিহনে এই গ্ৰন্থৰ কোনো অংশ, কোনো ৰূপতে কোনেও ব্যৱহাৰ কৰিব নোৱাৰিব।


এই গ্ৰন্থসমূহৰ বিক্ৰীৰ পৰা পোৱা আয়ৰ ১০% অৱহেলিত শিশুসকলৰ পঢ়া-শুনা তথা আজীৱন শিক্ষাৰ কৰ্মসূচীত খৰছ কৰা হয়।



# এই সকলো ILR গ্ৰন্থ

আনন্দ লাভ আৰু অৰ্থোদ্ধাৰৰ বাবে পঢ়ক








































**FOR OUR BOOKS**

**www.books.katha.org**

ভাৰতীয় প্ৰকাশন
ইতিহাসত 'কথা' হৈছে
এক বিশেষ আৰু
অনন্য সংযোজন
-দ্য আইকনিক দ্য
ইকনমিক টাইমছ

শিশুসকলৰ বাবে
কথা গ্ৰন্থ
ISBN 978-93-88284-81-3
www.katha.org
` XXX

ইন দা গ্ৰীণ চিৰিজ